# সম্পাদকীয়

গণিত-বিজ্ঞানৰ গ্লেমাৰাছ লেখক, বক্তা, অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক মাৰ্কাছ ডু চুতয়ে (২৬ আগষ্ট, ১৯৬৫) কৈছিল– *"মই ভাবোঁ, মোৰ প্ৰজন্মটোৱে এনে এটা বাৰ্তাৰ এক ৰকমৰ অপ-প্ৰভাৱত বাস কৰিছে যে- 'হয়, যদি তুমি এজন গণিতজ্ঞ হোৱা তেন্তে তুমি কেৱল মাথোঁ গণিত কৰি থকাই উচিত। তুমি ইয়াক জনপ্ৰিয় কৰিবলৈ বা বিস্তাৰ কৰিবলৈ যত্ন কৰি থকা অনুচিত।' গতিকে মই ভাবোঁ, যেতিয়া মই মোৰ বিদ্যায়তনিক গোটটোক অতিক্ৰমী গণিত জনপ্ৰিয়কৰণৰ প্ৰচেষ্টা প্ৰথম আৰম্ভ কৰিছিলোঁ তেতিয়া মোৰ গণিতজ্ঞ-সংগীসকলে কি ক'ব বুলি সন্দেহ কৰি মই সংকুচিত হৈছিলোঁ। এইটো এটা প্ৰত্যাহ্বান আছিল আৰু মই জানিছিলোঁ 'প্ৰকৃত গণিতজ্ঞই কৰিবলগীয়া এইবোৰ একো কাম নহয়' ধৰণৰ প্ৰবল ঋণাত্মক প্ৰতিক্ৰিয়া গণিতজ্ঞ-সংগীসকলৰ পৰা আহিব।*

*সম্ভৱতঃ মই এটা সঠিক সময়তেই আৰম্ভ কৰিছিলোঁ; কিন্তু প্ৰকৃততে এইটো মই পাইছিলোঁ এনে এটা কাৰণতহে যে আমাৰ গণিতজ্ঞ-গোটে ইতিমধ্যে উপলব্ধি কৰিছিল যে আমাৰ বিষয়টো মুখপাত্ৰ নাথাকিলে নিঃশেষ হৈ যাব। ইয়াৰ গুৰুত্বক স্বীকৃতি প্ৰদান কৰিবলৈ আমাক জনগণৰ প্ৰয়োজন, যাতে আমি আমাৰ অনুজ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব পাৰোঁ। সেইবাবে মই বহুতো ভাল ভাল সঁহাৰি লাভ কৰিছিলোঁ, আৰু সেয়া বহুলাংশে মোৰ সহযোগী গণিতজ্ঞ-সংগীবৃন্দৰ পৰা পাইছিলোঁ। তেওঁলোকে কৈছিল 'জানা? তুমি যে এইটো কৰি আছা, সঁচাকৈ এয়া বহু মহৎ কাৰ্য।'"*

এই কথাখিনি আমি এতিয়া দুই ধৰণে চাব পাৰোঁ।

ক) উন্নত দেশবোৰত বিজ্ঞানৰ প্ৰসাৰ আৰু প্ৰচাৰ বহু ব্যাপক। বৈজ্ঞানিক কৰ্মৰ প্ৰতি আগ্ৰহ যোগোৱা, আদৰ-সন্মান-স্বীকৃতি আগবঢ়োৱা আদি প্ৰৱণতা আমাৰ দেশৰ তুলনাত সেইবোৰ ঠাইত সাংঘাটিক বেছি। তেনে স্থানৰ এজন মানুহেও গণিত-বিজ্ঞান জনপ্ৰিকৰণৰ কাম হাতত লৈ, আনে কি ক'ব বুলি ভাবি সংকুচিত হ'ব লগা হৈছিল। গতিকে, ইয়াৰ গুৰুত্ব হেৰুৱাই আমাৰ ইয়াত কিমান মানুহ ৰৈ গৈছে! আনহাতে, ইমান উন্নতি আৰু সক্ৰিয়তাৰ পাছতো তেওঁলোকেও মুখপাত্ৰৰ চিন্তা কৰিব লগা হৈছে। গতিকে, আমাৰ প্ৰয়োজন কিমান!

খ) মাৰ্কাছ ডু চুতয় নিজেও এজন অতি উচ্চ পৰ্যায়ৰ গণিতজ্ঞ। ৰয়েল ছ'চাইটিৰ সদস্য তেওঁ। Annals of Mathematics দৰে গৱেষণা-পত্ৰিকাত তেওঁৰ গৱেষণা-পত্ৰ আছে। আৰু তেৱেঁই জনসাধাৰণৰ বাবে লিখে। ফলত তেওঁ নিজে অন্বেষণ কৰা গভীৰ, জটিল, নতুন বিষয়বস্তু জনসাধাৰণৰ মাজলৈ লৈ আনিব পাৰে। তেওঁৰ দৰে লেখকসকল প্ৰভাৱশালী হোৱাৰ ইও এক কাৰণ। তেওঁলোকৰ এনে লেখক বহুতো আছে। যিটো কথাই তেওঁলোকৰ সমাজবোৰক নৱ সৃষ্টিত আগৰণুৱা হোৱাত সহায় কৰিছে।

নতুন শিক্ষা-নীতিৰ জৰিয়তে আৰু দহ বছৰৰ পাছত ভাৰতত শৈক্ষিক পৰিৱেশত আমূল পৰিৱৰ্তন অহাৰ সপোন দেখা গৈছে। এই শিক্ষা-নীতিখন ওলাইছে আঠজন মানুহৰ মানসৰ পৰা। তাৰে এজন হ'ল কানাডীয়-মাৰ্কিন গণিতজ্ঞ আৰু ফিল্ড্ছ্ মেডেলিষ্ট মঞ্জুল ভাৰ্গৱ (৮ আগষ্ট, ১৯৭৪)। তেওঁ হ'ল ভাৰতীয় মূলৰ প্ৰথমজন ফিল্ড্ছ্ মেডেলিষ্ট। এই নীতিখনৰ কামৰ বাবে তেওঁ প্ৰায় এক বছৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ কামৰ পৰা আঁতৰি আছিল। আহিবলগীয়া ভাৰতীয় প্ৰজন্মৰ বাবে ভাৰতীয় শিক্ষাৰ সংস্কাৰকৰ ভূমিকা লৈছে তেওঁ। এই কাম তথা ভাৰতৰ শিক্ষা সম্পৰ্কীয় এক আলোচনাত তেওঁ কৈছিল যে– *আগবঢ়া দেশসমূহে চমকপ্ৰদ পৰিমাণৰ গণিত আৰু বিজ্ঞান কাৰ্য সমাপন কৰিব পৰাটো এটা সাংস্কৃতিক প্ৰসংগ। সেই দেশসমূহৰ সংস্কৃতিয়ে সঁচাকৈয়ে গণিত আৰু বিজ্ঞানক সহযোগ কৰে; আৰু তেওঁলোকে অপৰূপ, বিৰল প্ৰতিষ্ঠানবোৰ প্ৰতিষ্ঠা কৰিছে; আৰু তাত মেডিয়া আৰু জনগণে গণিতজ্ঞ আৰু বিজ্ঞানীসকলক সন্মানীত কৰে। তাত তেওঁলোকৰ নামত বিভিন্ন পথো পোৱা যায়।*

শিক্ষা, বিজ্ঞান তথা সমাজৰ উন্নতি যে সেই মনোবৃত্তি সংস্কৃতিৰ অংশ হৈ পৰা বাবেহে সম্ভৱ হৈছে সেই কথা ফিল্ড্ছ্ মেডেলিষ্ট চেড্ৰিক ভিলানীয়েও (৫ অক্টোবৰ, ১৯৭৩) কৈছিল।

মঞ্জুল ভাৰ্গৱে আৰু কৈছিল— *"কেৱল বৈজ্ঞানিক যুগান্তকাৰী কাম সমাধা কৰাটোৱেই গুৰুত্বপূৰ্ণ কথা নহয়, জনসাধাৰণৰ মাজত তেওঁলোকে বুজাকৈ সেইবোৰৰ ব্যাখ্যা দাঙি ধৰাটোও গুৰুত্বপূৰ্ণ, যাতে তেওঁলোকে বুজি পায় যে সেইবোৰ কেনেকৈ তেওঁলোকৰ বাবে প্ৰাসংগিক। এই ক্ষেত্ৰত ভাৰতত পৰ্যাপ্ত পৰিমাণে গুৰুত্ব আৰোপ কৰা হোৱা নাই।*

*যিমানবোৰ কিতাপৰ কথা ওলাল, এইবোৰ অকল ইংৰাজীত আছে, এইবোৰ প্ৰকৃততেই জনসাধাৰণৰ মাজলৈ নিয়া দৰকাৰ। য'ত ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাত শিকে আৰু আপুনি যদি যুৱ-প্ৰজন্মক প্ৰকৃততেই গণিত আৰু বিজ্ঞান জগতলৈ যোৱাটো বিচাৰে, তেন্তে যিটো ভাষাৰে তেওঁলোকে চিন্তা কৰে আৰু যিটো ভাষাৰে তেওঁলোকে শ্ৰেষ্ঠত্বটো চিন্তা কৰি উলিয়াব পাৰে, সেই ভাষাত বিভিন্ন শিক্ষা-সঁজুলি, জনপ্ৰিয় বিজ্ঞান-গ্ৰন্থ, ভিডিঅ' আদি যুগুটোৱাটো অতি দৰকাৰ।*

*ভাৰতত বিজ্ঞানৰ পিএইছডি সকলৰ ক্ষেত্ৰত ডাঙৰ সমস্যাবোৰৰ মাজৰ এটা সমস্যা হ'ল— তেওঁলোকে বিজ্ঞান শিকে ইংৰাজীত, আৰু তাৰ পাছত গৃহ চহৰলৈ তেওঁলোক উভটি যায় heroৰ নিচিনাকৈ আৰু তেওঁলোকে নিজ মাতৃভাষাত সেইসমূহ ব্যাখ্যা কৰিবলৈ সক্ষম নহয়।*

*এইটো এটা বিৰাট ডাঙৰ সমস্যা। মই এই পৰামৰ্শও দিব বিচাৰিম যে বিজ্ঞান পিএইছডিসকলে যোগসূত্ৰ স্থাপনৰ ক'ৰ্চ এটাও লোৱা উচিত। যাতে তেওঁলোকে সাধাৰণ জনতা বা পৰস্পৰে পৰস্পৰৰ লগত তেওঁলোকে কৰা কামবোৰৰ সম্পৰ্কত ব্যাখ্যা কৰিব পাৰে।"*

অসমীয়া ভাষাতো গণিত-বিজ্ঞানৰ এনে কৰ্মৰ বাবে এচাম নতুন লেখকৰ প্ৰয়োজন হৈছে। অসমীয়া ভাষাত যিবোৰ বস্তু এতিয়াও নাই, তেওঁলোকে সেইবোৰত হাত দিব লাগে। বিশ্বত উন্নত মানৰ আৰু গভীৰ যিবোৰ কথা চৰ্চা হৈ আছে সেইবোৰৰ সম্ভেদ তেওঁলোকে অসমীয়া ভাষাত প্ৰচাৰ চলাব লাগে। সেইবোৰ কেনেদৰে কিয় গ্ৰহণযোগ্য হৈছে তাক জনাব লাগে। তাৰ গূঢ়াৰ্থ সৰল ভাষাৰে লিখিবলৈ চেষ্টা কৰিব লাগে। প্ৰকৃত বিজ্ঞান-সৃষ্টি কি বস্তু সেই কথা এইবোৰ কৰ্মই জনসাধাৰণৰ মাজলৈ লৈ যাব। বৰ্তমান সময়ত ভুৱা-বিজ্ঞানৰ প্ৰচাৰ আৰু নৰম কৰ্মেৰে সুৰুঙাৰে প্ৰভাৱ খটুওৱাৰ ঘটনা প্ৰায়ে দেখা গৈছে। এইবোৰ তেতিয়াহে দূৰ হ'ব যেতিয়া নেকি জনসাধাৰণে জানিব যে প্ৰকৃত বিজ্ঞান-সৃষ্টি কি বস্তু। এয়া জনাবলৈ নতুন গণিত-বিজ্ঞান লেখক একেবাৰে কম, নাই বুলিবই পাৰি। অন্ততঃ কিছুসংখ্যক আগবাঢ়ি আহিব লাগে। এয়া কোনো উপদেশ নহয়; এয়া আহ্বান, এজন সহযোগী ৰূপে; যিটো এতিয়া অতি প্ৰয়োজনীয়।

– পংকজ জ্যোতি মহন্ত



**"ৰূপকথাবোৰক ৰূপকথা হিচাপেই শিকোৱা উচিত, পৌৰাণিক কথাবোৰক পৌৰাণিক কথা হিচাপে, আৰু ৰহস্য-কথাবোৰক কাব্যিক কল্পনা হিচাপে। কুসংস্কাৰ-অন্ধবিশ্বাসবোৰক সত্য বুলি শিকোৱাটো এটা অতি ভয়ানক কথা। শিশু-মনে সেইবোৰ গ্ৰহণ কৰি লয় আৰু সত্য বুলি তেওঁলোকে বিশ্বাস কৰিবলৈ লয়। আৰু মাথোঁ বিৰাট কষ্ট আৰু হয়তো পৰিহাসৰ অন্তত বহু বছৰৰ মূৰত এইবোৰৰ পৰা মুক্ত হ'বলৈ সক্ষম হ'ব পাৰে।"**

**– হাইপেছিয়া**

*হাইপেছিয়াক প্ৰথমগৰাকী পৰিচিত মহিলা গণিতজ্ঞ বুলি কোৱা হয়। তাৰোপৰি তেওঁ আছিল বিজ্ঞানী, দাৰ্শনিক আৰু উদ্ভাৱক। তেওঁৰ দেউতাক আছিল গণিতজ্ঞ আৰু জ্যোতিৰ্বিদ। তেওঁ ইউক্লিডৰ "এলিমেণ্টছ্"খন সংৰক্ষণৰ চেষ্টা কৰিছিল আৰু বিবিধ গ্ৰন্থৰ ব্যাখ্যা লিখিছিল। হাইপেছিয়াই এই কৰ্মবোৰো আগবঢ়াই নিছিল। হাইপেছিয়াক হত্যা কৰা হৈছিল নৃশংসতাৰে।*

## ঘোষণা

অসম গণিত শিক্ষায়তনে "গণিত বিকাশ" ২০২১ চনৰ পৰা তিনিমহীয়া কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আলোচনীখনৰ পৰৱৰ্তী সংখ্যাটো অহা জানুৱাৰী মাহৰ প্ৰথমভাগত প্ৰকাশ পাব।